**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-08-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

----------------------

১। ধিঙৰ কিশোৰী ধৰ্ষণৰ ঘটনাৰ এজন অভিযুক্তৰ আৰক্ষীৰ অভিযানৰ সময়ত পলায়নৰ চেষ্টা কৰোতে পুখুৰীত পৰি মৃত্যু হোৱা বুলি আৰক্ষী সূত্ৰৰ প্ৰকাশ।

২। অহা ডিচেম্বৰ মাহত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ঘোষণা।

৩। উত্তৰ-পূবক বিশেষ গুৰুত্ব দিয়া বুলি কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী হৰ্ষ মালহোত্ৰাৰ দৰঙত মন্তব্য।

৪। আজি মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ তিৰোভাৱ তিথি। ৰাজ্যজুৰি সত্ৰ, নামঘৰসমূহত নাম প্ৰসংগৰ আয়োজন।

**আৰু**

৫। ২০ বছৰৰ অনূৰ্ধৰ ছাফ ফুটবল প্ৰতিযোগিতাত ভাৰতৰ ছেমি ফাইনেলত প্ৰৱেশ।

000000

000000

নগাঁও জিলাৰ ধিঙৰ এগৰাকী ছাত্ৰীক যৌন নিৰ্যাতন চলোৱাৰ ঘটনাৰ সৈতে জড়িত এজন অভিযুক্তৰ আজি পুৱতি নিশা মৃত্যু ঘটিছে। ছাত্ৰীগৰাকীৰ নিৰ্যাতন হোৱা স্থানলৈ তদন্তৰ বাবে অভিযুক্তজনক নিয়া অৱস্থাত পলাবলৈ চেষ্টা কৰি পুখুৰীত জাপ দিয়াত তফজ্জুল ইছলাম নামৰ অভিযুক্তজনৰ মৃত্যু হোৱা বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে।

উল্লেখযোগ্য যে, নগাঁও জিলাৰ ধিঙত যোৱা ২২ আগষ্টৰ সন্ধিয়া এগৰাকী ছাত্ৰীক ৩ জন অভিযুক্তই যৌন নিৰ্যাতন চলাইছিল। ইয়াৰে এজনক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰাৰ বিপৰীতে আন দুজনৰ সন্ধান এতিয়াও অব্যাহত ৰাখিছে। ইপিনে, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাইয়ো এই ঘটনাৰ সৈতে জড়িত থকাসকলৰ বিৰুদ্ধে চৰকাৰে দৃষ্টান্তমূলক ব্যৱস্থা গ্ৰহণ কৰিব বুলি মন্তব্য কৰাৰ লগতে আৰক্ষীক তাৎক্ষণিকভাৱে ঘটনাৰ দোষীৰ বিৰুদ্ধে উচিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিছিল। মুখ্যমন্ত্ৰীৰ নিৰ্দেশ অনুসৰি আৰক্ষী সঞ্চালক প্ৰধান জি পি সিং কালি ধিঙত উপস্থিত হৈ ঘটনাস্থলী পৰিদৰ্শন কৰাৰ লগতে ছাত্ৰীগৰাকীৰ অভিভাৱকৰ সৈতেও মত বিনিময় কৰি তদন্ত প্ৰক্ৰিয়াত আৰক্ষীয়ে যথেষ্ট তথ্য-প্ৰমাণ লাভ কৰা বুলি উল্লেখ কৰিছিল।

আনহাতে, মুখ্যমন্ত্ৰীৰ নিৰ্দেশত কালি বিয়লিৰ ভাগত কেবিনেট মন্ত্ৰী পীযুষ হাজৰিকাও ধিঙত উপস্থিত হৈছিল। পৰিস্থিতি পৰ্যালোচনা কৰাৰ অন্তত নগাওঁ চিকিৎসা মহাবিদ্যালয়ত উপস্থিত হৈ ভুক্তভোগী কিশোৰীগৰাকীৰ স্বাস্থ্যৰ বুজ লোৱাৰ পাছত মন্ত্ৰীগৰাকীয়ে ঘটনাৰ সৈতে জড়িত আন দুই অভিযুক্তকো শীঘ্ৰে কৰায়ত্ত কৰি দোষীক কঠোৰ শাস্তি প্ৰদান কৰা হ'ব বুলি মন্তব্য কৰিছিল।

ইফালে, ধিঙৰ ছাত্ৰী নিৰ্যাতনৰ ঘটনাৰ উচিত তদন্ত তথা কেওজন দোষীৰ দৃষ্টান্তমূলক শাস্তিৰ দাবীত ৰাজ্যজুৰি বিভিন্ন দল-সংগঠনৰ প্ৰতিবাদ অব্যাহত আছে। নগাঁৱৰ উপৰি কালি শিৱসাগৰ জিলাৰ দৌলমুখ চাৰিআলি, লখিমপুৰ, মৰিগাঁৱৰ লগতে কেইবাখনো জিলাত বিভিন্ন দল-সংগঠনে প্ৰতিবাদ সাব্যস্ত কৰে।

০০০০০০

অহা ডিচেম্বৰ মাহত ৰাজ্যত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছে। কৰিমগঞ্জৰ জিলা পুথিভৰালত অনুষ্ঠিত হোৱা দলীয় কাৰ্যনিৰ্বাহক সন্মিলনত অংশগ্ৰহণ কৰি কালি তেওঁ এই কথা সদৰি কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই পঞ্চায়ত নিৰ্বাচনৰ বাবে দলীয় কাৰ্যকৰ্তাৰ লগতে বিষয়ববীয়াসকলক সাজু হ'বলৈও আহ্বান জনায়। দলীয় বৈঠকৰ অন্তত সংবাদমেল সম্বোধন কৰি মুখ্যমন্ত্ৰীয়ে কৰিমগঞ্জ চহৰৰ পথ সংস্কৰণৰ বাবে তাৎক্ষণিকভাৱে ২০ কোটি টকাৰ অনুদান ঘোষণা কৰে। চহৰখনৰ পথ সংস্কৰণৰ কাম আগন্তুক ১৫ দিনৰ ভিতৰত আৰম্ভ হ'ব বুলি তেওঁ সংবাদমেলত জনায়। মুখ্যমন্ত্ৰীৰ কৰিমগঞ্জ ভ্ৰমণৰ সময়ত কৰিমগঞ্জৰ সাংসদ কৃপানাথ মাল্লা, বিধায়ক কমলাক্ষ দে' পুৰকায়স্থ, কৃষেন্দু পাল, কৌশিক ৰায় আৰু জিলা বিজেপিৰ সভাপতি সুব্ৰত ভট্টাচাৰ্যৰ লগতে বহু দলীয় নেতা কৰ্মীয়ে সংগ দিয়ে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পোলেণ্ড আৰু ইউক্ৰেইনৰ ঐতিহাসিক ভ্ৰমণ সফলতাৰে সম্পন্ন কৰিছে। শ্ৰীমোদীয়ে সামাজিক মাধ্যম যোগে ইউক্ৰেইন ভ্ৰমণ সন্দৰ্ভত কৈছে যে, তেওঁ ভাৰত আৰু ইউক্ৰেইনৰ মাজত মিত্ৰতাৰ এনাজৰী অধিক সুদৃঢ় কৰাৰ উদ্দেশ্যে মহান দেশখনলৈ গৈছে। শ্ৰীমোদীয়ে ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ'ল'ডিমিৰ জেলেন্স্কিৰ সৈতে হোৱা আলোচনাত ফলপ্ৰসূ আছিল বুলি অভিহিত কৰে। তেওঁ কয় যে, ভাৰতে শান্তি সদায় বৰ্তি থকা উচিত বুলি বিশ্বাস কৰে। প্ৰধানমন্ত্ৰীয়ে লগতে ইউক্ৰেইনৰ চৰকাৰ আৰু জনসাধাৰণক তেওঁলোকৰ আতিথ্যৰ বাবে ধন্যবাদ জনায়।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়নত বিশেষ গুৰুত্ব প্ৰদান কৰি আহিছে আৰু প্ৰতি ৩ মাহৰ মূৰে মূৰে তেওঁৰ মন্ত্ৰীসভাৰ একোজন মন্ত্ৰীক উত্তৰ-পূৰ্বাঞ্চলৰ জিলা বিশেষকৈ পিছপৰা জিলাসমূহ ভ্ৰমণ কৰি উন্নয়নমূল কাম-কাজৰ অগ্ৰগতিৰ বুজি ল'বলৈ নিৰ্দেশ দিছে। কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ তথা কৰ্প'ৰেট পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী হৰ্ষ মালহোত্ৰাই কালি দৰং জিলাত উপস্থিত হৈ এই মন্তব্য কৰে।

মন্ত্ৰীগৰাকীয়ে জিলাখনৰ বিভিন্ন উন্নয়নমূলক আঁচনি আৰু কাম-কাজৰ অগ্ৰগতিৰ বুজ লোৱাৰ লগতে কেইবাটাও কাৰ্যসূচীত ভাগ হয়। দিনৰ ভাগত তেওঁ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মঙলদৈ সংমণ্ডলে জলজীৱন মিছনৰ অধীনত নিৰ্মাণ কৰা বাঘপৰি চাপৰি নম্বৰ দুই পানী যোগান আঁচনি পৰিদৰ্শন কৰাৰ লগতে স্থানীয় ৰাইজৰ সৈতেও বাৰ্তালাপ কৰে। ইয়াৰ পাছত মন্ত্ৰীগৰাকী মঙলদৈ আৱৰ্ত ভৱনত জিলাখনৰ বিশিষ্ট নাগৰিক সমাজকৰ্মী আৰু সংগঠন, আত্মসহায়ক গোটসমূহৰ প্ৰতিনিধি তথা প্ৰধানমন্ত্ৰী কিষান সন্মান নিধিৰ হিতাধিকাৰীসকলৰ সৈতেও পৃথকে আলোচনাত মিলিত হয়। তেওঁ মঙলদৈত নিৰ্মীয়মান দক্ষতা বিশ্ববিদ্যালয়ত উপস্থিত হৈ কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়। অন্তিম কাৰ্যসূচীৰূপে মন্ত্ৰীগৰাকীয়ে দৰঙৰ জিলা আয়ুক্ত কাৰ্যালয়ত জিলাখনৰ অব্যাহত থকা কেন্দ্ৰীয় চৰকাৰৰ আঁচনি তথা কাৰ্যসূচীসমূহৰ পৰ্যালোচনা কৰে। আকাংক্ষিত জিলা হিচাপে দৰং উন্নয়নৰ ক্ষেত্ৰত

বিভিন্ন দিশত যথেষ্ট আগবাঢ়িছে আৰু আগলৈও অগ্ৰগতিৰ এই ধাৰা অব্যাহত ৰাখিব লাগিব বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

০০০০০০

আজি মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ ৪২৮ সংখ্যক তিৰোভাৱ তিথি। ৰাজ্যজুৰি সত্ৰ, নামঘৰসমূহত নাম প্ৰসংগৰ আয়োজন কৰা হৈছে। তিৰোভাৱ তিথিত গুৰুজনালৈ প্ৰণিপাত জনাই নামঘৰ, সত্ৰত পুৱাৰ পৰাই ভকত-বৈষ্ণৱৰ ভিন্ন অনুষ্ঠানৰ আয়োজন। শ্ৰীশ্ৰীমাধৱদেৱৰ জন্মস্থান লখিমপুৰৰ লেটেকু পুখুৰীতো তিৰোভাৱ তিথি উপলক্ষে ব্যাপক আয়োজন ভকত-বৈষ্ণৱ সমন্বিতে আন ভক্তৰো অনুষ্ঠানত অংশগ্ৰহণ কৰিছে।

০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ যোৱানিশা তিনিদিনীয়া ছত্তিশগড় ভ্ৰমণসূচীৰে ৰায়পুৰত উপস্থিত হয়। শ্ৰীশ্বাহে আজি নক্সাল বিৰোধী  অভিযান সম্পৰ্কীয় এলানি বৈঠকত অধ্যক্ষতা কৰিব। শ্ৰীশ্বাহে পুৱাৰ ভাগত ৰায়পুৰ জিলাৰ চম্পাৰণৰ মহাপ্ৰভু বল্লভাচাৰ্য আশ্ৰম পৰিদৰ্শন কৰিব। তেওঁ লগতে আন্তঃৰাজ্যিক সমন্বয় সন্দৰ্ভত ছত্তিশগড় আৰু চুবুৰীয়া ৰাজ্যসমূহত মুখ্য সচিব আৰু আৰক্ষী সঞ্চালক প্ৰধানসকলৰ বৈঠকত অধ্যক্ষতা কৰিব। তেওঁ ৰাজ্যৰ বাওঁপন্থী উগ্ৰবাদ প্ৰভাৱিত এলেকাৰ সুৰক্ষা আৰু বিকাশ সম্পৰ্কীয় আন এখন বৈঠকতো পৌৰহিত্য কৰিব। যোৱাবছৰ বিধানসভা নিৰ্বাচনত বিজেপি ক্ষমতালৈ অহাৰ পাছৰে পৰা ছত্তিশগড়ত নক্সাল বিৰোধী অভিযান তীব্ৰতৰ কৰি তোলা হৈছে। ৰাজ্যখনত চলিতা বৰ্ষত সুৰক্ষা বাহিনীৰ সৈতে হোৱা সংঘৰ্ষত ১৪২ জন নক্সালবাদী নিহত হৈছিল।

শ্ৰীশ্বাহে কাইলৈ পুৱা চাৰে ১০ বজাত ৰায়পুৰৰ কেন্দ্ৰীয় মাদকদ্ৰব্য নিয়ন্ত্ৰণ ব্যুৰ'ৰ কাৰ্যালয় মুকলি কৰিব আৰু এখন পৰ্যালোচনা বৈঠকত মিলিত হ'ব। ইয়াৰ পাছত তেওঁ ছত্তিশগড়ত সমবায় খণ্ডৰ বিকাশ সম্পৰ্কীয় এখন বৈঠকত অংশগ্ৰহণ কৰিব।

০০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে যোৱানিশা ৱাশ্বিংটন ডি চিৰ পেণ্টাগণত আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰতিৰক্ষা মন্ত্ৰী লয়ড আষ্টিনৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হয়। প্ৰতিৰক্ষা মন্ত্ৰী দুগৰাকীয়ে উদ্যোগিক সহযোগিতা, প্ৰতিৰক্ষা সহযোগিতা, আঞ্চলিক সুৰক্ষা আৰু অন্যান্য আন্তঃৰাষ্ট্ৰীয় বিষয় লৈ বিশদভাৱে আলোচনা কৰে। বৈঠকত শ্ৰীসিঙে যোৱাবছৰ গ্ৰহণ কৰা ভাৰত-আমেৰিকা প্ৰতিৰক্ষা উদ্যোগিক সহযোগিতা পৰিকল্পনাত চিনাক্ত কৰা ক্ষেত্ৰসমূহত ভাৰতত সহ বিকাশ আৰু সহ উৎপাদনৰ বিভিন্ন সুযোগ সম্পৰ্কে আলোকপাত কৰে। দুয়োগৰাকী মন্ত্ৰী ভাৰত আৰু আমেৰিকাৰ মাজত সম্পাদিত সুৰক্ষা যোগান ব্যৱস্থা চুক্তিক লৈ সন্তুষ্টি প্ৰকাশ কৰে। ৱাশ্বিংটন ডি চিত বৃহস্পতিবাৰে সম্পাদিত এই চুক্তিখনে দুয়োখন দেশৰ প্ৰতিৰক্ষা, উদ্যোগিক তন্ত্ৰক একেলগে কাম কৰিবলৈ উৎসাহ যোগাব আৰু যোদান শৃংখলাৰ স্থিতিস্থাপকতা গুণ বৃদ্ধি কৰিব। প্ৰতিৰক্ষা মন্ত্ৰালয়ে এটা বিবৃতি যোগে কৈছে যে, ভাৰত আৰু আমেৰিকা উভয় দেশে যোগাযোগ বিষয়াৰ নিযুক্তি সম্পৰ্কীয় চুক্তি সম্পাদনৰ প্ৰতি আদৰণি জনাইছে। সেই চুক্তি অনুসৰি ভাৰতে আমেৰিকাত ফ্লৰিডাৰ বিশেষ সঞ্চালন কামাণ্ড সদৰ কাৰ্যালয়ত প্ৰথমগৰাকী যোগাযোগ বিষয়া নিয়োগ কৰিব। প্ৰতিৰক্ষা মন্ত্ৰীদ্বয়ে লগতে কোৱাড ৰাষ্ট্ৰগোষ্ঠীৰ উদ্যমৰ অংশ হিচাপে গ্ৰহণ কৰা ভাৰত প্ৰশান্ত মহাসাগৰীয় সজাগতা কাৰ্যসূচীৰ অগ্ৰগতিৰ আৰু ভাৰত মহাসাগৰ অঞ্চলত সহযোগিতা বৃদ্ধিৰ বাবে ভাৰতে চলোৱা প্ৰচেষ্টাৰ প্ৰশংসা কৰে। তেওঁলোকে লগতে সংযুক্ত সামুদ্ৰিক বাহিনীত ভাৰতৰ

অংশগ্ৰহণৰ প্ৰতি আদৰণি জনাই আৰু ভাৰতে ২০২৫ বৰ্ষত সংযুক্ত সামুদ্ৰিক বাহিনীৰ মুখ্য কাৰ্যালয়ত সৈনিক নিয়োজিত কৰিব বুলি প্ৰকাশ কৰে। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আৰু আমেৰিকাৰ প্ৰতিৰক্ষা মন্ত্ৰী লয়ড আষ্টিনে দুয়োখন দেশৰ মাজত প্ৰতিৰক্ষা আহিলাপাতিৰ উৎপাদনৰ প্ৰসাৰৰ হকে অনুকূল তন্ত্ৰ স্থাপনৰ প্ৰয়াসৰো প্ৰশংসা কৰে।

০০০০০০

শোণিতপুৰ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত কালি জিলা আয়ুক্ত দেৱকুমাৰ মিশ্ৰৰ অধ্যক্ষতাত জিলা পথ পৰিবহণ সমিতিৰ এখন সভা অনুষ্ঠিত হয়। সভাত জিলা আয়ুক্তই পূৰ্বৰ ডি.আৰ.এছ.চি বৈঠকত লোৱা সিদ্ধান্তসমূহৰ প্ৰতিবেদন দিবলৈ বিষয়াসকলক নিৰ্দেশ দিয়ে। তেওঁ লগতে দ'লাবাৰী পইণ্ট এলেকাত ট্ৰাকৰে, বাছ আস্থানসমূহৰ উন্নয়নমূলক কামৰ অগ্ৰগতি, ই-ৰিক্সাসমূহৰ নিয়ন্ত্ৰণ তথা পৌৰসভাৰ অধীনত পঞ্জীয়ন আৰু পথৰ দাঁতিৰ গছৰ ডালসমূহৰ পৰা দুৰ্ঘটনা হোৱাৰ সম্ভাৱনীয়তা সন্দৰ্ভত ব্যৱস্থা গ্ৰহণ কৰিবলৈ সংশ্লিষ্ট বিভাগক পৰামৰ্শ দিয়াৰ উপৰি জিলাখনৰ ভিন্ন দুৰ্ঘটনাপ্ৰৱন অঞ্চলত পথ সুৰক্ষা সন্দৰ্ভত সজাগতামূলক ফলক লগোৱাৰো নিৰ্দেশ দিয়ে। তেজপুৰ চিকিৎসা মহাবিদ্যালয় আৰু জিলাখনৰ ভিন্ন চিকিৎসালয় এলেকাত হোৱা যান-জঁটৰ পৰা সম্ভাৱনীয় দুৰ্ঘটনাৰ পৰা হাত সাৰিবলৈ পাৰ্কিঙৰ বাবে সুকীয়া স্থান নিৰ্ধাৰণ কৰা সন্দৰ্ভতো সভাত আলোচনা কৰা হয়। বৈঠকত শোণিতপুৰৰ আৰক্ষী অধীক্ষক, অতিৰিক্ত জিলা আয়ুক্ত, তেজপুৰ ৰাজহ চক্ৰ বিষয়া, শোণিতপুৰ আৰু বিশ্বনাথ পথ সংমণ্ডলৰ তেজপুৰৰ অধীক্ষক অভিযন্তাৰ লগতে কেইবাগৰাকীও শীৰ্ষ বিষয়া উপস্থিত থাকে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাৱ ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৩ সংখ্যক খণ্ড।

আকাশবাণী আৰু দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেৱছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰীৰ কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০

ভাৰতে ২০ বছৰৰ অনূৰ্ধৰ ছাফ ফুটবল প্ৰতিযোগিতাৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। ভাৰতে কালি নেপালৰ কাঠমাণ্ডুত অনুষ্ঠিত গ্ৰুপ পৰ্যায়ৰ এখন খেলত মালদ্বীপক ১-০ গলত পৰাস্ত কৰে। ভাৰতৰ হৈ মাংগলেনথাং কিপগেনে খেলৰ ৯৫ মিনিটত বিজয় সূচক গলটো দিয়ে। ভাৰতে এই জয়ৰ সুবাদত প্ৰতিযোগিতাৰ গ্ৰুপ-বিৰ পইণ্ট তালিকাৰ শীৰ্ষ স্থান দখল কৰে। ভাৰতে সোমবাৰে যোৱাবাৰৰ চেম্পিয়ন বাংলাদেশৰ বিৰুদ্ধে ছেমি ফাইনেলত অৱতীৰ্ণ হ'ব।

০০০০০০

ভাৰতীয় মহিলা মল্লযোদ্ধাসকলে জৰ্দানৰ আম্মানত অনুষ্ঠিত ১৭ বছৰৰ অনূৰ্ধৰ বিশ্ব চেম্পিয়নশ্বিপত নিজৰ আধিপত্য অক্ষুন্ন ৰাখি ১৮৫ পইণ্টেৰে দলীয় শিতানত প্ৰথমটো খিতাপ দখল কৰিছে। এই শিতানত জাপানে ১৪৬ পইণ্টেৰে দ্বিতীয় আৰু কাজাখস্তানে ৭৯ পইণ্টেৰে তৃতীয় স্থান লাভ কৰিছে। কাজল প্ৰতিযোগিতাত দেশৰ হকে

স্বৰ্ণ পদক অৰ্জন কৰা পঞ্চমগৰাকী মহিলা মল্লযোদ্ধা হিচাপে পৰিগণিত হৈছে। কাজলে কালি ৬৯ কিলোগ্ৰাম ওজন শাখাত ইউক্ৰেইনৰ আলেকজেণ্ড্ৰা ৰয়বকক ৯-২ ফলাফলেৰে পৰাস্ত কৰে। অৱশ্যে দেশৰ আন এগৰাকী মল্লযোদ্ধা শ্ৰুতিকা পাটিলে ৪৬ কিলোগ্ৰাম ওজন শাখাত জাপানৰ প্ৰতিদ্বন্দ্বীৰ হাতত পৰাজিত হৈ ৰূপৰ পদকতে সন্তুষ্ট থাকিবলগীয়া হয়। আনহাতে ৰাজবালাই ৪০ কিলোগ্ৰাম ওজন শাখাত জাপানৰ মোনাকা উমেকাৱাক ১১-৫ ফলাফলত পৰাভূত কৰি ব্ৰঞ্জৰ পদক হস্তগত কৰাৰ বিপৰীতে মুস্কানে ৫৩ কিলোগ্ৰাম ওজন শাখাত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ইচাবেলা গোঞ্জালেচক কাৰিকৰী শ্ৰেষ্ঠত্বৰ ভিত্তিত পৰাস্ত কৰি ব্ৰঞ্জৰ পদক লাভ কৰে। প্ৰতিযোগিতাত ভাৰতীয় মহিলা মল্লযোদ্ধাসকলে ৫টা সোণ, এটা ৰূপ আৰু দুটা ব্ৰঞ্জসহ মুঠ ৮টা পদক লাভ কৰিছে। ইয়াৰ বিপৰীতে ভাৰতীয় পুৰুষ মল্লযোদ্ধাসকল ফ্ৰী ষ্টাইল শিতানত  পদক হস্তগত কৰাত ব্যৰ্থ হৈছে। ভাৰতে বৰ্তমানলৈকে প্ৰতিযোগিতাত সৰ্বমুঠ ১০টা পদক লাভ কৰিছে। ইয়াৰ ভিতৰত ভাৰতে গ্ৰিকো ৰোমান শৈলীত দুটা ব্ৰঞ্জৰ পদক লাভ কৰিছে।

oooooo

বৃহস্পতিবাৰে ধিঙত সংঘটিত হোৱা কিশোৰী নিৰ্যাতনৰ ঘটনাক লৈ সৰ্বত্ৰে প্ৰতিবাদ অব্যাহত আছে। এই বাতৰিক গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায় প্ৰতিখন বাতৰি কাকতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। **নিয়মীয়া বাৰ্তা** কাকতে এই বাতৰিক ৩ নৰাধমৰ পাশৱিকতাত ৰাজ্যত ক্ষোভৰ অগনি শিৰোনামেৰে প্ৰকাশ কৰিছে। **অসমীয়া প্ৰতিদিন** কাকতে এই বাতৰিক ক্ষোভৰ অগনিত জ্বলিছে ধিং শিৰোনামেৰে প্ৰকাশ কৰাৰ লগতে **দৈনিক জনমভূমি কাকতে** ধিঙত নাৰীৰ মহানাদ শিৰোনামেৰে প্ৰকাশ কৰিছে।

লোকসভা নিৰ্বাচনৰ পিছত বিশেষ সম্প্ৰদায়ৰ লোকৰ দ্বাৰা ২৩টা ধৰ্ষণৰ ঘটনা সংঘটিত হৈছে। ধিঙৰ ঘটনা সন্দৰ্ভত হাইলাকান্দিত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এইদৰে প্ৰকাশ কৰে। তেওঁ লগতে কয় যে, অসমৰ খিলঞ্জীয়াসকলে শত্ৰু-মিত্ৰ চিনিব নোৱাৰাটোহে এতিয়া ডাঙৰ সমস্যা। **অসমীয়া প্ৰতিদিন** কাকতে  এই বাতৰিক বঙালী, হিন্দীভাষী নহয় খিলঞ্জিয়াৰ শত্ৰু কোন সকলোৱে চিনি লোৱা ভাল শিৰোনামেৰে প্ৰথম পৃষ্টাত প্ৰকাশ কৰিছে।

দীঘলীপুখুৰীৰ পৰা নুনমাটিৰ এফ চি আই গে'ট পৰ্যন্ত লোকনিৰ্মাণ বিভাগে নতুন উৰণ সেঁতু নিৰ্মাণৰ কাম অব্যাহত ৰাখিছে। এই বাতৰিক **দৈনিক অগ্ৰদূত** কাকতে যাতায়াত নহয় যেন যমৰ যাতনা শিৰোনামেৰে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

দেশৰ অগ্ৰণী আলোচনী ইণ্ডিয়া টু ডেৰ মুড অব দ্যা নেচন শীৰ্ষক এক সমীক্ষা অনুসৰি গৃহ ৰাজ্যত সৰ্বাধিক জনপ্ৰিয় মুখ্যমন্ত্ৰীৰ তালিকাত স্থান লাভ কৰিছে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। এই বাতৰিক **দৈনিক জনমভূমি** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰাৰ লগতে **অসমীয়া খবৰ** কাকতে এই বাতৰিক দেশৰ দ্বিতীয় সৰ্বাধিক জনপ্ৰিয় অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

৭ দিনৰ ভিতৰত মিঞাক উজনি অসম এৰিবলৈ সকীয়নি খিলঞ্জীয়া মুছলমানৰ। এই বাতৰিক **অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰাৰ লগতে **আমাৰ অসম** কাকতে ৰাজপথলৈ ওলাই আহি বিক্ষোভ সমদল সংখ্যালঘুৰ শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

শান্তিৰ বাবে সক্ৰিয় ভূমিকা গ্ৰহণ কৰিবলৈ সাজু ভাৰত, ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি জেলনস্কিক আলিংগন কৰি এই আশ্বাস প্ৰধানমন্ত্ৰী মোদীৰ। এই বাতৰিক **দ্যা ছেণ্টিনেল** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ইছৰোৱে বিশ্বব্যাপি গৱেষকসকলৰ বাবে চন্দ্ৰযান-থ্ৰীৰ বৈজ্ঞানিক তথ্য প্ৰকাশ কৰিছে। এই বাতৰি **দি আছাম ট্ৰিবিউন** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – কমলপুৰত ৰাষ্ট্ৰীয় মহাকাশ দিৱস উদযাপন, আধ্যাত্মিক চাৰ্কিট গঢ়িব চৰকাৰে ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

oooooo

সমাপ্ত